Total number of pages – 16

B13–SSc

2013

# SOCIAL SCIENCE

Full Marks : 100

Pass Marks : 30

Time : Three hours

## (NEW COURSE)

*For HSLC/AHM Regular candidates and unsuccessful HSLC/AHM Regular candidates of 2011, 2012.*

*HSLC/AHMৰ নিয়মীয়া পৰীক্ষাৰ্থী আৰু 2011, 2012 বৰ্ষৰ HSLC/AHM পৰীক্ষাত অকৃতকাৰ্য হোৱা নিয়মীয়া পৰীক্ষাৰ্থীৰ বাবে।*

*The figures in the margin indicate full marks for the questions.*

## (OLD COURSE)

*[From Page 9 ]*

*Contd.*

1. Choose the correct answer : 1×6=6

শুদ্ধ উত্তৰটো বাছি উলিওৱা :

(i) The hill and mountain ranges of Dima Hasao district in Assam belong to –

অসমৰ ডিমা হাছাও জিলাত থকা পৰ্বত-পাহাৰসমূহ —

(a) The Patkai mountain system

পাটকাই পৰ্বতশ্ৰেণীৰ অন্তৰ্গত

(b) The Barail mountain system

বৰাইল পৰ্বতশ্ৰেণীৰ অন্তৰ্গত

(c) The Meghalaya Plateaus

মেঘালয় মালভূমিৰ অন্তৰ্গত

(d) The Lushai mountain system

লুছাই পৰ্বতশ্ৰেণীৰ অন্তৰ্গত

(ii) The land area of the continent of Asia is –

এছিয়া মহাদেশৰ মাটিকালি হ'ল —

(a) 64·2 million $Km^2$

(৬৪·২ নিযুত বৰ্গ কি.মি.)

(b) 24·2 million $Km^2$

(২৪·২ নিযুত বৰ্গ কি.মি.)

(c) 44·2 million $Km^2$

(৪৪·২ নিযুত বৰ্গ কি.মি.)

(d) 54·2 million $Km^2$

(৫৪·২ নিযুত বৰ্গ কি.মি.)

(iii) Which one of the following is an agricultural development bank?
তলত উল্লেখ কৰাবোৰৰ কোনটো কৃষি উন্নয়ন বেংক?

(a) NABARD

(b) RBI

(c) SBI

(d) IDBI

(iv) The Indian National Army was formed in –
আজাদ হিন্দ ফৌজৰ জন্ম হৈছিল —

(a) Germany
(জাৰ্মানীত)

(b) Singapore
(ছিঙ্গাপুৰত)

(c) Japan
(জাপানত)

(d) India
(ভাৰতবৰ্ষত)

(v) The author of "Naam-Ghosha" was –
"নাম-ঘোষা" ৰ ৰচক আছিল —

(a) Madhabdeva
(মাধৱদেৱ)

(b) Damodardeva
(দামোদৰদেৱ)

(c) Sankardeva
(শংকৰদেৱ)

(d) Bhattadeva
(ভট্টদেৱ)

(*vi*) The Human Rights Commission of the UNO was established in the year —

ৰাষ্ট্ৰসংঘৰ অন্তৰ্গত মানৱ অধিকাৰ আয়োগ গঠন হৈছিল —

(*a*) 1945

(১৯৪৫ চনত)

(*b*) 1946

(১৯৪৬ চনত)

(*c*) 1919

(১৯১৯ চনত)

(*d*) 1993

(১৯৯৩ চনত)

2. Which part of Asia experiences "tropical hot desert climate" ? 1

এছিয়া মহাদেশৰ কোন অংশত "ক্ৰান্তীয় উষ্ণ মৰু জলবায়ু" বিৰাজ কৰে?

3. What is "Norwester" ? 1

"বৰদৈচিলা" কি?

4. Who was Lord Minto ? 1

লৰ্ড মিন্টো কোন আছিল?

5. What was the main objective of "Gandhi-Irwin Pact" ? 1

"গান্ধী-আৰউইন চুক্তি"ৰ মুখ্য উদ্দেশ্য কি আছিল?

6. Who was appointed as the first Political Officer of Khasi Hills during British rule ? 1

ব্ৰিটিছৰ শাসন কালত কাক খাচী পাহাৰৰ প্ৰথম ৰাজনৈতিক বিষয়া হিচাপে নিযুক্তি দিয়া হৈছিল?

7. What is the state language of Andhra Pradesh? 1

অন্ধ্রপ্রদেশৰ ৰাজ্যিক ভাষাটো কি?

8. What is meant by "indirect democracy"? 1

"পৰোক্ষ গণতন্ত্ৰ" বুলিলে কি বুজায়?

9. What is the full meaning of UPA government presently led by the Indian National Congress? 1

ভাৰতীয় জাতীয় কংগ্ৰেছৰ নেতৃত্বত কাৰ্যনিৰ্বাহ কৰি থকা ইউ. পি. এ. চৰকাৰৰ সম্পূৰ্ণ অৰ্থ কি?

10. Which date in a year is observed as "United Nations Day" in the world? 1

বছৰটোৰ কোনটো তাৰিখ সমগ্ৰ বিশ্বত "ৰাষ্ট্ৰসংঘ দিৱস" হিচাপে পালন কৰা হয়?

11. Distinguish between biotic and abiotic resources. 2

জীৱীয় আৰু অজীৱীয় সম্পদৰ মাজত থকা পাৰ্থক্য লিখা।

12. Name four major crops produced in the monsoon region of Asia. 2

এছিয়া মহাদেশৰ মৌচুমী অঞ্চলত উৎপাদিত চাৰিটা প্ৰধান শস্যৰ নাম লিখা।

13. What is "Commercial Bank"? Mention two important commercial banks of India. 1+1=2

"বাণিজ্যিক বেংক" কি? ভাৰতবৰ্ষৰ দুটা প্ৰধান বাণিজ্যিক বেংকৰ নাম উল্লেখ কৰা।

14. When was the International Monetary Fund established? Where is its headquarters? 1+1=2

আন্তৰ্জাতিক মুদ্ৰা নিধি কেতিয়া স্থাপন হৈছিল? ইয়াৰ সদৰ কাৰ্যালয় ক'ত অৱস্থিত?

15. Name two socio-political organisations formed in Assam during independence movement. 2

স্বাধীনতা আন্দোলনৰ সময়ত অসমত গঠন হোৱা দুটা সামাজিক-ৰাজনৈতিক সংগঠনৰ নাম উল্লেখ কৰা।

16. Mention two reasons why the Co-operative Banks in India have not been so successful. 2

ভাৰতবৰ্ষত সমবায় বেংকসমূহে আশানুৰূপ সফলতা অৰ্জন কৰিব নোৱাৰাৰ দুটা কাৰণ উল্লেখ কৰা।

17. Write two important roles of World Bank towards economic development in the developing Countries. 2

উন্নয়নশীল ৰাষ্ট্ৰৰ অৰ্থনৈতিক উন্নয়নত বিশ্ববেংকৰ দুটা প্ৰধান ভূমিকা লিখা।

18. Mention the name of three wildlife sanctuaries located in the districts of Sonitpur, Morigaon and Sivasagar in Assam. 3

অসমৰ শোণিতপুৰ, মৰিগাঁও আৰু শিৱসাগৰ জিলাত অৱস্থিত তিনিখন অভয়াৰণ্যৰ নাম উল্লেখ কৰা।

19. Distinguish between developed and developing countries with examples. 2+1=3

উদাহৰণসহ উন্নত আৰু উন্নয়নশীল দেশৰ মাজত থকা পাৰ্থক্য লিখা।

20. Write in brief how Robertson and Francis Jenkins brought about reformation in district administration during British rule in Assam. 3

ব্ৰিটিছৰ শাসনকালত অসমৰ জিলা প্ৰশাসনত সংস্কাৰ সাধনৰ বাবে ৰবাৰ্টচন আৰু ফ্ৰেন্সিছ জেনকিন্সে কেনে ব্যৱস্থা লৈছিল চমুকৈ লিখা।

21. Explain briefly about the dynamic concept of resource. 3

সম্পদৰ পৰিবৰ্তনশীল ধাৰণাৰ চমু ব্যাখ্যা দিয়া।

22. Briefly write the disadvantages of coalition government in the context of India. 3

ভাৰতবৰ্ষৰ পৰিপ্ৰেক্ষিতত সম্মিলিত চৰকাৰৰ অসুবিধাসমূহ চমুকৈ লিখা।

23. What steps were taken towards improvement of health and education in Assam during the 11th five year plan? 3

একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত অসমত স্বাস্থ্য আৰু শিক্ষাৰ উন্নয়নৰ বাবে কি ব্যৱস্থা লোৱা হৈছিল?

24. Briefly discuss the contribution of Bihu to the Assamese Society. 3

অসমীয়া সমাজলৈ বিহুৰ অৱদান সম্পৰ্কে চমুকৈ আলোচনা কৰা।

25. What is meant by "Partition of Bengal"? How did it affect Assam? 1+3=4

"বঙ্গ বিভাজন" বুলিলে কি বুজায়? অসমত ইয়াৰ প্ৰভাৱ কেনে আছিল?

26. Briefly discuss the role of opposition parties towards success of Indian democracy. 4

ভাৰতীয় গণতন্ত্ৰৰ সফলতাত বিৰোধী দলসমূহৰ ভূমিকা সম্পৰ্কে চমুকৈ আলোচনা কৰা।

27. Mention India's major contributions towards establishment of world peace. 4

বিশ্ব-শান্তি প্ৰতিষ্ঠাত ভাৰতবৰ্ষৰ মুখ্য অৱদানবোৰ উল্লেখ কৰা।

28. What is "Global Warming" ? Suggest three suitable measures to check global warming. 1+3=4

"গোলকীয় উষ্ণায়ন" মানে কি? গোলকীয় উষ্ণায়ন ৰোধ কৰিবলৈ তিনিটা উপযোগী ব্যৱস্থাৰ পৰামৰ্শ দিয়া।

29. Discuss the role of Mahatma Gandhi in India's freedom struggle. 5

ভাৰতবৰ্ষত স্বাধীনতা আন্দোলনত মহাত্মা গান্ধীৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

30. Discuss in brief how the people of Assam took part in the "Quit India Movement" launched in 1942. 6

১৯৪২ৰ "ভাৰত ত্যাগ আন্দোলনত" অসমৰ মানুহে কেনেদৰে যোগদান কৰিছিল চমুকৈ আলোচনা কৰা।

*Or / নাইবা*

How was "Jorhat Sarbajanik Sabha" formed in Assam during India's freedom struggle ? Mention its important activities. 3+3=6

ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত অসমত কেনেকৈ "যোৰহাট সাৰ্বজনিক সভা" গঠন হৈছিল? ইয়াৰ প্ৰধান ক্ৰিয়া-কলাপবোৰ উল্লেখ কৰা।

31. Discuss the contribution of agriculture to the economy of Assam. 6

অসমৰ অথনীতিত কৃষিৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

*Or / নাইবা*

Give an account of handicraft industries of Assam. 6

অসমৰ কুটিৰ শিল্প উদ্যোগৰ এটি খতিয়ান দাঙি ধৰা।

32. Discuss the factors responsible for climatic variations of Asia. 6

এছিয়া মহাদেশত জলবায়ুৰ তাৰতম্যৰ লগত জড়িত কাৰকবোৰ আলোচনা কৰা।

*Or / নাইবা*

Give an account of major natural resources in Asia and their utilisation. 6

এছিয়া মহাদেশৰ প্ৰধান প্ৰাকৃতিক সম্পদবোৰ আৰু তাৰ ব্যৱহাৰৰ এক খতিয়ান দাঙি ধৰা।

33. Discuss how the British captured different parts of North-East India after the Treaty of Yandaboo. 6

ইয়াণ্ডাবু সন্ধিৰ পিছত ব্ৰিটিছ সকলে কেনেদৰে উত্তৰ-পুব ভাৰতৰ বিভিন্ন অংশ দখললৈ আনিছিল আলোচনা কৰা।

*Or / নাইবা*

Discuss the causes and consequences of the fall of Ahom Kingdom. 6

আহোম ৰাজ্যৰ পতনৰ কাৰণ আৰু ফলাফলবোৰ আলোচনা কৰা।

34. Draw a sketch map of Assam and locate the following in the map : 2+3=5

*(i)* The Brahmaputra river

*(ii)* Dibru-Soikhowa national park

*(iii)* Haflong town

অসমৰ এখন নক্সা মানচিত্ৰ আঁকা আৰু তলত দিয়াবোৰ মানচিত্ৰত বহুওৱা।

*(i)* ব্ৰহ্মপুত্ৰ নদী

*(ii)* ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান

*(iii)* হাফলং নগৰ

*Or / নাইবা*

**( *For Blind candidates only* / কেৱল অন্ধ পৰীক্ষাৰ্থীৰ বাবে )**

Write a note on problems and prospects of tourism in Assam. 5

অসমত পৰ্যটনৰ সমস্যা আৰু সম্ভাৱনা সম্পৰ্কে এটি টোকা লিখা।

———×———

# SOCIAL SCIENCE

Full Marks : 100

Pass Marks : 30

Time : Three hours

## (OLD COURSE)

***For unsuccessful Private candidates of HSLC/AHM Examination 2012 and earlier.***

***2012 বৰ্ষ আৰু তাৰ আগৰ বৰ্ষৰ HSLC/AHM পৰীক্ষাত অকৃতকাৰ্য হোৱা প্ৰাইভেট পৰীক্ষাৰ্থীৰ বাবে।***

*The figures in the margin indicate full marks for the questions.*

1. Choose the correct answer : 1×6=6

   শুদ্ধ উত্তৰটো বাছি উলিওৱা :

   *(i)* The geomorphic features associated with wind action is

   বতাহৰ ক্ৰিয়াৰ লগত জড়িত ভূ-অবয়ৱ

   *(a)* Cirque

   চাৰ্ক বা হিমজ গহবৰ

   *(b)* Monadnock

   মনাড্‌নক

   *(c)* Yardang

   ইয়াৰডাং

   *(d)* Drumlin

   ড্ৰামলিন

(ii) The National highways (NH) in Assam that connects Pancharatna with Dangari is

অসমৰ পঞ্চৰত্ন আৰু ডাঙৰীৰ মাজত সংযোগ স্থাপন কৰা ৰাষ্ট্ৰীয় ঘাইপথ হ'ল

(a) NH 31

(b) NH 37

(c) NH 40

(d) NH 36

(iii) The Head-office of NABARD is located in

NABARD (নাবাৰ্ড)ৰ মুখ্য কাৰ্যালয়

(a) Delhi

দিল্লীত অৱস্থিত

(b) Kolkata

কোলকাতাত অৱস্থিত

(c) Mumbai

মুম্বাইত অৱস্থিত

(d) Chennai

চেন্নাইত অৱস্থিত

(iv) The Governor-General who passed an act to prohibit slavery in India is

ভাৰতবৰ্ষত দাস-প্ৰথাৰ বিলুপ্তিৰ বাবে অধিনিয়ম জাৰি কৰা গৰ্ভনৰ জেনেৰেল জন হ'ল

(a) Lord Allenborough

লৰ্ড এলেনবৰো

(b) William Bentinck

উইলিয়াম বেন্টিঙ্ক

(c) Lord Hardinge
লৰ্ড হাৰ্ডিঞ্জ

(d) Lord Dalhousie
লৰ্ড ডেলহাউচি

(v) The person who formed a hard-liner organisation called "Sewa Sangha" during India's freedom struggle in Assam was
ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত অসমত "সেৱা সংঘ" নামৰ এটা চৰমপন্থী সংগঠন গঠন কৰা ব্যক্তিজন

(a) Maniram Dewan
মণিৰাম দেৱান

(b) Ambikagiri Roychoudhury
অম্বিকাগিৰি ৰায়চৌধুৰী

(c) Nabin Chandra Bardoloi
নবীনচন্দ্ৰ বৰদলৈ

(d) Tarunram Phukan
তৰুণৰাম ফুকন

(vi) Every year 26th January is celebrated as
প্ৰতিবছৰ 26 জানুৱাৰী দিনটো পালন কৰা হয়

(a) Republic day
গণতন্ত্ৰ দিৱস হিচাপে

(b) Human Rights Day
মানৱ অধিকাৰ দিৱস হিচাপে

(c) Independence Day
স্বাধীনতা দিৱস হিচাপে

(d) Environment Day
পৰিৱেশ দিৱস হিচাপে

2. What is 'Orogenic Force' ? 1

"গিৰিজনিক শক্তি" কি?

3. What is meant by "land pollution" ? 1

"ভূমি প্ৰদূষণ" কি?

4. Write the name of central bank in India. 1

ভাৰতবৰ্ষৰ কেন্দ্ৰীয় বেংকটোৰ নাম লিখা।

5. When was "French East India Company" formed in India ? 1

ভাৰতবৰ্ষত কেতিয়া "ফ্ৰেঞ্চ ইস্ট ইণ্ডিয়া কোম্পানী" গঠন হৈছিল?

6. Who was Nasir Jang ? 1

নাছিৰ জং কোন আছিল?

7. Who elects the President in India ? 1

ভাৰতবৰ্ষত ৰাষ্ট্ৰপতিক কোনে নিৰ্বাচিত কৰে?

8. What is National Integration ? 1

"জাতীয় সংহতি" কি?

9. What was the popular definition of democracy according to the former US President Abraham Lincoln ? 1

আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰাক্তন ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকনৰ গণতন্ত্ৰ সম্পৰ্কীয় জনপ্ৰিয় সংজ্ঞাটো কি আছিল?

10. Write the full form of "NHRC". 1

"NHRC" ৰ সম্পূৰ্ণ ৰূপ লিখা।

11. What is "flood plain" ? 2

"প্লাৱনভূমি" মানে কি?

12. Name the two densely populated regions of Asia. 2

এছিয়া মহাদেশৰ দুটা ঘন জনবসতিপূৰ্ণ অঞ্চলৰ নাম লিখা।

13. Mention two important functions of "NABARD". 2

"NABARD"ৰ দুটা মুখ্য কাৰ্য উল্লেখ কৰা।

14. What is "Poverty Line" in Indian context? 2

ভাৰতবৰ্ষৰ পৰিপ্ৰেক্ষিতত "দাৰিদ্ৰ্য সীমাৰেখা" কি?

15. What was the main content of the "Charter Act of 1833"? 2

"১৮৩৩ চনৰ চনদ আইন" ৰ মূল বিষয়বস্তু কি আছিল?

16. Mention two main causes behind the Sepoy Mutiny of 1857. 2

১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ দুটা মূল কাৰণ উল্লেখ কৰা।

17. Between whom the Battle of Saraighat was fought? What was its result? 1+1=2

শৰাইঘাটৰ যুদ্ধ কাৰ কাৰ মাজত হৈছিল? ইয়াৰ ফলাফল কি হৈছিল?

18. Mention two obstacles of Indian National Integration. 2

ভাৰতৰ জাতীয় সংহতিৰ দুটা অন্তৰায়ৰ নাম উল্লেখ কৰা।

19. Who appoints the judges of the International Court of Justice? What is the chief function of this Court? 1+1=2

আন্তৰ্জাতিক ন্যায়ালয়ৰ ন্যায়াধীশ-সকলক কোনে নিয়োগ কৰে? এই ন্যায়ালয়ৰ প্ৰধান কাম কি?

20. Who was known as "Lambardar" during the British East India Company's rule? Write in brief the role played by it under Mahalwari System. 1+2=3

ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰশাসন কালত "লম্বৰদাৰ" কাক বোলা হৈছিল? মহল্‌ৱাৰী ব্যৱস্থাত ই কেনে ভূমিকা পালন কৰিছিল চমুকৈ লিখা।

21. How did the Partition of Bengal affect Assam during British rule? 3

ব্ৰিটিছৰ শাসনকালত বংগ বিভাজনে কেনেদৰে অসমৰ ক্ষতিসাধন কৰিছিল?

22. Write briefly how the Civil Disobedience Movement was carried out in Assam during the freedom struggle. 3

স্বাধীনতা আন্দোলনৰ সময়ছোৱাত অসমত কেনেদৰে আইন অমান্য আন্দোলন পৰিচালিত হৈছিল চমুকৈ লিখা।

23. Briefly write the legislative power of the Indian President. 3

ভাৰতৰ ৰাষ্ট্ৰপতিৰ আইন প্ৰণয়ন ক্ষমতা সম্পৰ্কে চমুকৈ লিখা।

24. Briefly discuss the role of newspaper in moulding public opinion for success of democracy in India. 3

ভাৰতবৰ্ষত গণতন্ত্ৰৰ সফলতাৰ বাবে জনমত গঠন কৰিবলৈ বাতৰিকাকতে কি ভূমিকা পালন কৰে চমুকৈ আলোচনা কৰা।

25. Briefly discuss the impact of modern society on environment. 4

পৰিৱেশৰ ওপৰত আধুনিক সমাজৰ কেনে প্ৰভাৱ পৰিছে চমুকৈ আলোচনা কৰা।

26. What is an agricultural development bank? Mention its major functions. 1+3=4

কৃষি উন্নয়ন বেংক কি? ইয়াৰ প্ৰধান কাৰ্যবোৰ উল্লেখ কৰা।

27. Write a brief note on British-French conflicts and their consequences in India. 4

ভাৰতত সংঘটিত ব্ৰিটিছ-ফ্ৰেঞ্চ দ্বন্দ্ব আৰু তাৰ ফলাফল সম্পৰ্কে এটি চমু টোকা লিখা।

28. What are the major geographical divisions of Assam? Briefly write the physiographic characteristics of its highland region. 2+3=5

অসমৰ প্ৰধান ভৌগোলিক অঞ্চল কেইটা কি কি? ইয়াৰ উচ্চভূমি অঞ্চলৰ ভূ-প্ৰকৃতিৰ বৈশিষ্ট্য সম্পৰ্কে চমুকৈ লিখা।

29. What is meant by "Economic Planning"? Mention the needs and outcomes of economic development planning in the context of Assam. 1+4=5

"অৰ্থনৈতিক পৰিকল্পনা" মানে কি? অসমৰ পৰিপ্ৰেক্ষিতত অৰ্থনৈতিক উন্নয়ন পৰিকল্পনাৰ প্ৰয়োজনীতা আৰু ফলাফলবোৰ উল্লেখ কৰা।

30. Give an account of the spatial variation in the distribution and density of population in India. 6

ভাৰতবৰ্ষৰ জনসংখ্যা বিতৰণ আৰু ঘনত্বৰ স্থানিক তাৰতম্য সম্পৰ্কে এটি বৰ্ণনা দিয়া।

*Or / নাইবা*

Give an account of agriculture of the Brahmaputra Valley. 6

ব্ৰহ্মপুত্ৰ উপত্যকাৰ কৃষি সম্পৰ্কে এটি বৰ্ণনা দিয়া।

31. Discuss the factors associated with climatic variation in Asia. 6

এছিয়া মহাদেশৰ জলবায়ুৰ বিভিন্নতাৰ লগত জড়িত কাৰকবোৰ আলোচনা কৰা।

*Or / নাইবা*

Give an account of the rivers and lakes of Asia. 6

এছিয়া মহাদেশৰ নদ-নদী আৰু হ্ৰদবোৰৰ বিষয়ে এটি বৰ্ণনা দিয়া।

32. Discuss the contribution of Swami Vivekananda towards social reform in India during independence movement. 6

ভাৰতবৰ্ষত স্বাধীনতা আন্দোলনৰ সময়ছোৱাত সমাজ সংস্কাৰৰ ক্ষেত্ৰত স্বামী বিবেকানন্দই আগবঢ়োৱা বৰঙণি সম্পৰ্কে আলোচনা কৰা।

33. Discuss the causes and consequences of Mir Jumla's Assam invasion. 6

মিৰজুম্‌লাৰ অসম আক্ৰমণৰ কাৰণ আৰু ফলাফলবোৰ আলোচনা কৰা।

*Or / নাইবা*

What is meant by "Paik System"? Briefly discuss its impact on the society of Ahom ruled Assam. 2+4=6

"পাইক প্ৰথা" বুলিলে কি বুজা? আহোম শাসিত অসমৰ সমাজত ইয়াৰ প্ৰভাৱ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

34. Mention the basic characteristics of a river in its different courses. Draw necessary diagram. 4+2=6

নদী এখনৰ গতিৰ বিভিন্ন অংশৰ মৌলিক বৈশিষ্ট্যসমূহ উল্লেখ কৰা। প্ৰয়োজনীয় চিত্ৰ আঁকিবা।

*Or / নাইবা*

*( For Blind candidates only / কেৱল অন্ধ পৰীক্ষাৰ্থীৰ বাবে )*

Briefly describe the erosional and depositional actions of wind and the resultant land forms. 6

বতাহৰ খনন আৰু অৱক্ষেপন কাৰ্যবোৰ আৰু তাৰ ফলত হোৱা ভূ-অৱয়ৱবোৰৰ এটি চমু বৰ্ণনা দিয়া।

——×——